**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2024 **Time :** 1205 Hrs.

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা আছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি বিষয়ে আলোচনা কৰে।

গৃহমন্ত্ৰীগৰাকীয়ে কালিৰ বৈঠকত কয় যে মণিপুৰলৈ শান্তি-শৃংখলা ওভতাই অনাৰ উদ্দেশ্যে নিৰাপত্তা বাহিনীসমূহক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিগত কিছুদিন ধৰি ৰাজ্যখনত শান্তি আৰু নিৰাপত্তা বিঘ্নিত হোৱাৰ পৰিপ্ৰেক্ষিতত গৃহ মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে ৰাজ্যখনত সংঘৰ্ষৰ সৈতে জড়িত হৈ থকা দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুৰ্বৃত্তই হিংসাত লিপ্ত হৈ ৰাজ্যখনৰ শান্তি-শৃংখলা ভংগ কৰাৰ লগতে বহু নিৰিহ লোকক হত্যা কৰিছে। হিংসাত্মক কাৰ্যকলাপত জড়িত হৈ থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত প্ৰকাশ কৰা হয়। গুৰুত্বপূৰ্ণ অভিযোগ সমূহ অনুসন্ধানৰ বাবে নিয়ালৈ হস্তান্তৰ কৰা হৈছে। তদুপৰি, ৰাজ্যখনৰ জনসাধাৰণলৈ শান্তি বৰ্তাই ৰখাৰ লগতে উৰা-বাতৰিক বিশ্বাস নকৰিবলৈ তথা শান্তি-শৃংখলা বজাই ৰখাত নিৰাপত্তা বাহিনীৰ প্ৰতি সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

সান্ধ্য আইনৰ কৱলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে যদিও ভিতৰি ভিতৰি উত্তেজনা অব্যাহত আছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি ৰাজ্য চৰকাৰে ভালেমান স্পৰ্শকাতৰ অঞ্চলত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী নিয়োগ কৰিছে। আনহাতে অনিৰ্দিষ্ট কালৰ বাবে জাৰি কৰা কাৰ্ফিউ আজিও অব্যাহত আছে। ৰাজ্যখনৰ গৃহ বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে বিয়পি পৰা দেশ তথা সমাজ বিৰোধী বিভিন্ন উৰা-বাতৰি নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্য পৰহি বিয়লি জিৰিবাম আৰু ফেৰজল জিলাত প্ৰথমতে দুদিনৰ বাবে ইণ্টাৰনেট সেৱা কৰ্তন কৰিছিল। তদুপৰি পৰহিৰ পৰা পাঁচখন উপত্যকা জিলাকে ধৰি ৭খন জিলাত ইণ্টাৰনেট সেৱা দুদিনৰ বাবে কৰ্তন কৰা হৈছে। অৱশ্যে আজি চৰকাৰী কাৰ্যালয়সমূহত ব্ৰডবেণ্ড আৰু ফাইবাৰ ইণ্টাৰনেট সেৱা আংশিকভাৱে প্ৰৱৰ্তন কৰা হৈছে।

ইতিমধ্যে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান অনিশ দয়াল সিঙে মণিপুৰত উপস্থিত হৈ কালি আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে ৰাজ্যখনৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ কৌশল সম্পৰ্কে আলোচনা কৰে।

ইপিনে, এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰৰ প্ৰতি নেছনেল পিপলছ্ পাৰ্টিয়ে সমৰ্থন প্ৰত্যাহ্বাৰ কৰিছে। এন পি পিৰ ৰাষ্ট্ৰীয় সভাপতি কনৰাড কে চাংমাই বিজেপিৰ সভাপতি জে পি নাড্ডাক এন পি পিৰ এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। কনৰাড কে চাংমাই লিখা পত্ৰখনত মণিপুৰৰ সাম্প্ৰতিক আইন শৃংখলাৰ পৰিস্থিতিকলৈ এন পি পি উদ্বিগ্ন বুলি উল্লেখ কৰা হৈছে। ৰাজ্যখনলৈ স্বাভাৱিক পৰিস্থিতি ওভতাই অনাৰ লগতে সমস্যা সমাধানৰ ক্ষেত্ৰত এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰ সম্পূৰ্ণৰূপে বিফল হোৱা বুলি দলে অনুভৱ কৰাৰ বিষয়ে উল্লেখ কৰি শীঘ্ৰে বলবৎ হোৱাকৈ ৰাজ্য চৰকাৰৰ প্ৰতি থকা সমৰ্থন এন পি পিয়ে প্ৰত্যাহ্বাৰ কৰে।

একাদশ মণিপুৰ  বিধানসভাত থকা ৭ গৰাকী এন পি পি বিধায়কে মণিপুৰৰ বিজেপিৰ নেতৃত্ব চৰকাৰক সমৰ্থন দিছিল। মণিপুৰ বিধানসভাত বিজেপিৰ ৩২ জন বিধায়ক আছে আৰু সদ্যহতে এন বীৰেন সিঙৰ চৰকাৰৰ প্ৰতি এন পি এফ, জে ডি ইউ আৰু কেইবাগৰাকীয়ো নিৰ্দলীয় বিধায়কৰ সমৰ্থন আছে।

ইফালে, কাছাৰ জিলাৰ বৰাক নদীত কালি উদ্ধাৰ হোৱা মহিলাৰ মৃতদেহটো মণিপুৰত কুকি উগ্ৰপন্থীয়ে অপহৰণ কৰা ৬গৰাকী লোকৰ ভিতৰৰ এগৰাকীৰ বুলি সন্দেহ কৰা হৈছে। ইম্ফলৰ আৰক্ষী সূত্ৰই এই কথা প্ৰকাশ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে জিৰিবামৰ ব'ৰ'বেকৰা মহকুমাত শুকুৰবাৰে আন ৩গৰাকী লোকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত মণিপুৰৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰতিবাদ অব্যাহত আছে।

০০০০০০

অসম সাহিত্য সভাৰ সক্ৰিয় জিলা সমিতি বাক্সা জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেষন জলাগাঁও আঞ্চলিক শাখা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত কৰাৰ বাবে এখন আদৰণী সমিতি গঠন কৰা হয়। জলাগাঁৱৰ বাপুজী আদৰ্শ প্ৰাথমিক বিদ্যালয়ত কালি জলাগাঁও আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতিগৰাকীৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত আদৰণি সমিতিখন গঠন কৰা হয়। সভাত বাক্সা জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ৰজত খাটনিয়াৰকে ধৰি জিলা সাহিত্য সভাৰ কেইবাগৰাকীও বিষয়-ববীয়া আৰু আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০

এছিয়ান গেমছ ছেম্পিয়ন ভাৰতৰ জ্যোতি সুৰেশা ৱেন্নামে লাক্সেমবাৰ্গত অৱস্থিত জি টি অ'পেন আৰ্চাৰী প্ৰতিযোগিতাৰ মহিলাৰ কম্পাউণ্ড শাখাত সোণৰ পদক অৰ্জন কৰিছে। প্ৰথমবাৰৰ বাবে জি টি অ'পেনত অংশগ্ৰহণ কৰি জ্যোতিয়ে উন্নত মানৰ প্ৰদৰ্শনেৰে কালি বেলজিয়ামৰ ছাৰাহ প্ৰিল্‌ছক ১৪৭-১৪৫ ফলাফলত পৰাস্ত কৰি খিতাপ দখল কৰে।

ইফালে, পুৰুষৰ কম্পাউণ্ড শাখাত ভাৰতৰ অভিষেকে ৰূপৰ পদক দখল কৰিছে। নেদাৰলেণ্ডছৰ মাইক শ্ল'ছাৰে অভিষেকক অতি কম ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে।

০০০০০০

**সমাপ্ত**